# গণৰাজ্য দিৱসৰ ভাষণ

অসমৰ মাননীয় ৰাজ্যপাল

## অধ্যাপক জগদীশ মুখী

গুৱাহাটী, ২৬ জানুৱাৰী, ২০১৯

শ্ৰদ্ধাৰ অসমবাসী ৰাইজ,

আজি আমাৰ দেশৰ ৭০ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপনৰ এই পৱিত্ৰ উপলক্ষত মই অসম তথা ৰাষ্ট্ৰৰ সমূহ জনসাধাৰণলৈ মোৰ আন্তৰিক ওলগ আৰু শুভেচ্ছা জ্ঞাপন কৰিছো।

আমাৰ ভাৰতবৰ্ষ বিশ্বৰ ভিতৰত সবাতোকৈ বৃহৎ গণতান্ত্ৰিক দেশ। এই বৃহৎ দেশখনত ভাষা, জাতি আৰু পৰম্পৰাৰ বিচিত্ৰতা থকা সত্বেও আমাৰ ৰাষ্ট্ৰক আমাৰ সাংস্কৃতিক সমন্বয় আৰু সংবিধানে বান্ধি ৰাখিছে। আজি দেশৰ প্ৰত্যেক নাগৰিকে হৰ্ষ-উল্লাসেৰে গণৰাজ্য দিৱস পালন কৰিছে। আহক, এই শুভক্ষণত আমি আমাৰ সংবিধান প্ৰণেতাসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰো। তেওঁলোকৰ জ্ঞান, অনুভৱ আৰু দূৰদৃষ্টিৰ কাৰণে আমি এনেকুৱা এক ব্যৱস্থা লাভ কৰিছো য'ত বিভেদ নোহোৱাকৈ, ভয় বা পক্ষপাত নকৰাকৈ দেশৰ প্ৰত্যেক নাগৰিকে নিজৰ স্বতন্ত্ৰ সত্তাক অনুভৱ কৰে, নিজৰ আশা-আকাংক্ষাবোৰ পূৰণ কৰাৰ বাবে প্ৰয়াস কৰে। এই শুভদিনত আমি স্বাধীনতাৰ সেনানীসকলকো স্মৰণ কৰিছো আৰু তেওঁলোকলৈ আমাৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। তেওঁলোকৰ অশেষ ত্যাগ আৰু বলিদানৰ বিনিময়ত আমি আমাৰ স্বাধীনতা লাভ কৰিবলৈ সক্ষম হৈছো। আজি এই পৱিত্ৰ ক্ষণত আমি পুনৰ এবাৰ আমাৰ স্বতন্ত্ৰতা, প্ৰচলিত ব্যৱস্থা আৰু সংবিধানৰ মহত্বক স্বীকাৰ কৰি আমাৰ দেশক অধিক শক্তিশালী কৰিবৰ বাবে নিজৰ সমস্ত শক্তি উজাৰি দিবলৈ সংকল্প লওঁ।

আজি আমাৰ দেশখন দ্ৰুতগতিৰে আগুৱাই গৈ আছে। প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আমি বিকাশৰ নতুন শিখৰ চুবলৈ সক্ষম হৈছো। আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰতো ভাৰতে এক সুকীয়া পৰিচয় লাভ কৰিছে আৰু সমগ্ৰ বিশ্বই ভাৰতৰ ফালে আশা আৰু বিশ্বাসেৰে চাই আছে। আজিৰ ভাৰত এখন নতুন ভাৰত। ইয়াৰ সপোন ডাঙৰ, আত্মবিশ্বাস সবল আৰু লক্ষ্য স্থিৰ। আজিৰ ভাৰত নিজৰ ঐতিহ্যৰ প্ৰতি সজাগ আৰু নিজৰ পৰম্পৰাক লৈ গৌৰৱান্বিত। এই দেশৰ দৃষ্টি এক উজ্জ্বল আৰু সোণালী ভৱিষ্যতৰ ওপৰত নিবদ্ধ। নিজৰ শ্ৰমেৰে, নিজৰ প্ৰতিভাৰে, নিজৰ বিশ্বাসেৰে আমি সকলোৱে মিলি এনে ভৱিষ্যৎ ৰচিব লাগিব।

দেশৰ উত্তৰ-পূৰ্বাঞ্চল এই নতুন ভাৰতক নতুন গতি প্ৰদান কৰা নতুন ইঞ্জিন। প্ৰধানমন্ত্ৰীয়ে এই কথা বাৰে-বাৰে দোহাৰিছে যে - দেশৰ উন্নয়নৰ গতি অধিক ত্বৰান্বিত কৰিবলৈ দেশৰ পূব আৰু উত্তৰ-পূৰ্বাঞ্চলক দুগুণ নহয়, শতগুণ দ্ৰুততাৰে আগবঢ়াই নিব লাগিব। সেইবাবে উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান কৰিছে, বিশেষকৈ আন্তঃগাঁথনি বিকাশৰ ক্ষেত্ৰত। পথ আৰু দলং নিৰ্মাণ, নতুন ৰে'লপথ নিৰ্মাণ, বিমানসেৱাৰ প্ৰসাৰ আৰু জলপথৰ বিকাশ এই সকলো ক্ষেত্ৰৰে উন্নয়নৰ কাম চলি আছে।

উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত জনসংখ্যাৰ ক্ষেত্ৰত অসম সবাতোকৈ বৃহৎ আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ ৰাজ্য। আক্ষেপৰ বিষয় যে স্বাধীনতাৰ আগলৈকে অসমৰ বিকাশৰ হাৰ ৰাষ্ট্ৰীয় হাৰতকৈ বেছি আছিল। দেশ বিভাজনে ৰাজ্যখনক বিভক্ত কৰিলে- ইয়াৰ ফলত ব্যৱসায়-বাণিজ্য বেয়াকৈ ক্ষতিগ্ৰস্ত হ'ল আৰু ৰাজ্যখন উন্নয়নৰ দিশত পিছপৰি গ'ল। যিখন প্ৰদেশে আমাৰ বলিষ্ঠ সাংস্কৃতিক পৰম্পৰাক আৰু সমৃদ্ধ কৰাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল, সেইখন প্ৰদেশেই বিকাশৰ মূল ধাৰাৰ পৰা আঁতৰি বিচ্ছিন্নতাবাদ আৰু সন্ত্ৰাসবাদৰ কৱলত পৰি বিভিন্ন সমস্যাৰে জৰ্জৰিত হৈছিল। কিন্তু এতিয়া আগুৱাই যোৱাৰ সময়।

বৰ্তমান আমাৰ দেশ এক নতুন ভাৰত, আমাৰ ৰাজ্যখনো নতুন অসম। আমাৰ চৰকাৰে মোদী ডাঙৰীয়াৰ সংকল্প "সব্‌কা সাথ সব্‌কা বিকাশ"ক শাসনৰ প্ৰেৰণা হিচাপে লৈ নতুন অসম নিৰ্মাণৰ বাবে সম্পূৰ্ণ আত্মবিশ্বাস আৰু নিষ্ঠাৰে কাম কৰি আছে। বিগত কেইবা দশকত উদ্ভৱ হোৱা সমস্যাবোৰক পুনৰাই মূৰ দাঙি উঠিবলৈ দিয়া নহ'ব। আমি ঐক্যবদ্ধ হৈ প্ৰগতিৰ নতুন অধ্যায় ৰচনা কৰিম আৰু দেশৰ আগশাৰীৰ ৰাজ্যসমূহৰ ভিতৰত আমাৰ ৰাজ্যখনৰ নাম জিলিকাই ৰাখিম। প্ৰধানমন্ত্ৰীয়ে ২০১৮ বৰ্ষৰ ২৫ ডিচেম্বৰত দেশৰ দীৰ্ঘতম ৰে'ল আৰু পথ দলং বগীবিল দলঙক ৰাষ্ট্ৰৰ বাবে উছৰ্গা কৰিছে। এই দলংখনে কেৱল নদীৰ দুয়ো পাৰক সংযোগ নকৰে, বৰঞ্চ বিকাশৰ নতুন দিশৰ সূচনা কৰিছে। ৰাজ্যত নতুন ৰাষ্ট্ৰীয় ঘাইপথ আৰু দলং নিৰ্মাণৰ কাম তীব্ৰ গতিত চলি আছে। বিকাশৰ এই যাত্ৰাত আমি এতিয়া আৰু কোনোপধ্যেই পিছ পৰি নৰওঁ।

শ্ৰদ্ধেয় ৰাইজ, অসমত অবৈধ অনুপ্ৰৱেশৰ সমস্যাৰ স্থায়ী সমাধানৰ বাবে আমাৰ চৰকাৰে দৃঢ়তাৰে কাম কৰি আছে। নতুন অসম নিৰ্মাণৰ বাবে আমি দৃঢ়প্ৰতিজ্ঞ, ইয়াত অবৈধ বিদেশীৰ কোনো স্থান নাই। ৰাজ্যখনৰ সম্পদৰ ওপৰত ৰাজ্যৰ জনগণৰ অধিকাৰ আছে আৰু থাকিব। সেইবাবে আমি ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ কাম পূৰ্ণগতিৰে আগুৱাই নিছোঁ আৰু উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত আৰু অধীনত এক সঠিক আৰু প্ৰামাণিক খচৰা তৈয়াৰ কৰা হৈছে, য'ত ৰাজ্যৰ সম্পূৰ্ণ প্ৰশাসন ব্যৱস্থাই নিজৰ সম্পূৰ্ণ সামৰ্থ্য আৰু নিষ্ঠাৰে অংশগ্ৰহণ কৰিছে। শুদ্ধ আৰু প্ৰামাণিক NRC ৰ কাৰণে আমি প্ৰতিশ্ৰুতিবদ্ধ আৰু অবৈধ বিদেশীমুক্ত অসম গঢ়াৰ বাবে আমি প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিম।

অসম চুক্তিৰ ৬ নং দফা এই চুক্তিৰ আত্মা । অসমৰ খিলঞ্জীয়া লোকসকলৰ ৰাজনৈতিক অধিকাৰসমূহক যিকোনো উপায়ে সুৰক্ষিত কৰা হ'ব। আমি সুখী যে অসম চুক্তিৰ স্বাক্ষৰৰ বহু বছৰ পাৰ হৈ যোৱাৰ পিছত এতিয়া ইয়াৰ যষ্ঠ দফাই

সাংবিধানিক মৰ্যাদা লাভ কৰাৰ দিশত আগবাঢ়িছে। কেন্দ্ৰীয় চৰকাৰে এক অধিসূচনা যোগে এই বিষয়ক এখন উচ্চস্তৰীয় সমিতি গঠন কৰি দিছে। এই সমিতিয়ে সংশ্লিষ্ট সকলো দিশ গভীৰভাৱে বিবেচনা কৰি ছয় মাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব আৰু ইয়াৰ পিছত সংবিধানত আৱশ্যকীয় সংযোজন কৰা হ'ব যাৰ ফলত ৰাজ্যখনৰ জনসাধাৰণৰ বহুদিনীয়া আশা-আকাংক্ষা পূৰণ হ'ব। বিগত কেইবা বছৰৰ পৰা বা কেইবা দশকৰ পৰা অসমৰ ছয় জনগোষ্ঠী- মৰাণ, মটক, চুতীয়া, কোচ-ৰাজবংশী, টাই-আহোম, চাহ জনগোষ্ঠীয়ে অনুসূচিত জনজাতিৰ মৰ্যাদা পাবলৈ সংগ্ৰাম কৰি আহিছে। আমি তেওঁলোকৰ কথা বুজি পাইছো, তেওঁলোকৰ বেদনা আৰু সপোন অনুধাৱন কৰিছো। সেইবাবে কেন্দ্ৰীয় চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে যে এই ছয়টা জনগোষ্ঠীক অনুসূচিত জনজাতিৰ মৰ্যাদা দিয়া হ'ব। এই সিদ্ধান্ত গ্ৰহণ কৰোতে আমি এই বিষয়ৰ প্ৰতি সচেতন যাতে বৰ্তমানৰ অনুসূচিত জনজাতিসমূহৰ ওপৰত কোনো ধৰণৰ চাপ আৰু বিৰূপ প্ৰভাৱ নপৰে। আমি অসমৰ সামগ্ৰিক বিকাশৰ কাৰণে প্ৰতিজ্ঞাবদ্ধ আৰু লগতে ইয়াত থকা সকলো শ্ৰেণীৰ লোকৰ আশা-আকাংক্ষাসমূহ পূৰণৰ বাবে সম্পূৰ্ণৰূপে দায়বদ্ধ; ই অসমৰ সুকীয়া পৰিচয় সুৰক্ষিত ৰখাৰ প্ৰতি আমাৰ দায়বদ্ধতাকে সূচায়।

আইন-শৃংখলা সুস্থিৰে ৰখাটো আমাৰ চৰকাৰৰ প্ৰধান কৰ্তব্য। বহু বছৰ ধৰি অসমক সন্ত্ৰাসবাদৰ সমস্যাই জৰ্জৰিত কৰি আহিছে। আমাৰে কিছুসংখ্যক ভাতৃ-ভগ্নী তথা সন্তানক ছলাহী কথাৰে ভুলাই তেওঁলোকৰ হাতত বন্দুক তুলি দিয়া হৈছিল। কোনো সমস্যাৰ সমাধান হিংসাৰে সম্ভৱ নহয়। আলোচনাৰ মাধ্যমেৰে গণতন্ত্ৰত যিকোনো সমস্যাৰ সমাধান হয়। প্ৰচলিত ব্যৱস্থাৰ ওপৰত আস্থা হেৰুওৱা এনে সকলোৰে সৈতে আমি আলোচনা আৰম্ভ কৰিছো আৰু আলোচনা আগবঢ়াই লৈ গৈছো। আমি ইয়াৰ ইতিবাচক ফল পাইছো। ১৩ টা উগ্ৰপন্থী সংগঠনৰ

সৈতে অভিযান স্থগিত ৰখাৰ পদক্ষেপক কাৰ্যকৰী কৰা হৈছে। অন্য সংগঠনসমূহেও শান্তি প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰাৰ ইচ্ছা প্ৰকাশ কৰিছে। তেওঁলোকৰ যুক্তিপূৰ্ণ ক্ষোভসমূহ দূৰ কৰাৰ বাবে আমি সম্ভৱপৰ সকলো প্ৰয়াস কৰিম। কিছুমান ৰাষ্ট্ৰ বিৰোধী শক্তিয়ে নিজৰ স্বাৰ্থত দেশৰ হানি কৰিবৰ চেষ্টা কৰি থাকে। আমাৰ দেশ অস্থিৰ কৰিব খোজা বিদেশী শক্তিৰ পৰা তেওঁলোকে সহায় লাভ কৰে। তেওঁলোকৰ প্ৰতি কোনো ধৰণৰ সহনশীলতা দেখুওৱা নহ'ব। সন্ত্ৰাসবাদমুক্ত অসমৰ সংকল্পত আমি অটল থাকিম। আমি এনে শক্তিক দমন আৰু নিয়ন্ত্ৰণ কৰিবলৈ সম্পূৰ্ণৰূপে সক্ষম। পুলিচ প্ৰশাসনৰ আধুনিকীকৰণৰ কাৰণে চৰকাৰে সেয়েহে নতুন নতুন আঁচনিসমূহ হাতত লৈ আহিছে। আমাৰ পুলিচ প্ৰশাসনক অধিক সক্ষম, সমৰ্থবান আৰু সংবেদনশীল কৰিবৰ বাবে আমি প্ৰয়াস চলাই আছো।

প্ৰশাসন ব্যৱস্থাক দুৰ্নীতিমুক্ত কৰাটো আমাৰ চৰকাৰৰ প্ৰধান দায়িত্ব। দুৰ্নীতিয়ে সমাজ ব্যৱস্থাক ফোপোলা কৰি পেলাইছে। ৰাজহুৱা জীৱনত স্বচ্ছতা আৰু পাৰদৰ্শিতাৰ অতি প্ৰয়োজন। সেইবাবে উচ্চ পদবীধাৰীসকলৰ বাছনি প্ৰক্ৰিয়া যোগ্যতাৰ ভিত্তিত দুৰ্নীতিমুক্তভাৱে হোৱাটো আৱশ্যক। অসম লোকসেৱা আয়োগক আৰু অধিক সংশোধন কৰাৰ প্ৰক্ৰিয়া অব্যাহত আছে। এই আয়োগত বাছনি প্ৰক্ৰিয়াত পূৰ্বতে যিদৰে দুৰ্নীতি হৈছিল তাৰ প্ৰভাৱ প্ৰশাসনৰ ওপৰতো পৰিছিল। মোৰ চৰকাৰে দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ লৈ চৰকাৰী নিযুক্তিৰ ক্ষেত্ৰত যোগ্যতাক গুৰুত্ব দি স্বচ্ছতা অৱলম্বন কৰিছে। তদুপৰি, চৰকাৰী সেৱাত উৎকৃষ্টতা প্ৰদৰ্শন কৰা কৰ্মচাৰীসকলক "কৰ্মশ্ৰী" পুৰস্কাৰো প্ৰদান কৰিছে। মোৰ চৰকাৰে কাৰ্যদক্ষ লোকসকলক সমৰ্থন আৰু উৎসাহ প্ৰদান কৰি আছে আৰু দুৰ্নীতিৰ বিৰুদ্ধে সম্পূৰ্ণ শক্তিৰে যুঁজ অব্যাহত ৰাখিছে।

শ্ৰদ্ধেয় ৰাইজ, আমি ৰাজ্যখনৰ বিকাশত নতুন দিশ আৰু গতি প্ৰদান কৰিছো। দেশৰ “এক্ট ইষ্ট পলিচী”ক সাৰ্থকতাৰে কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত অসমৰ বিশেষ ভূমিকা আছে। মোৰ চৰকাৰে এই দিশত কাম কৰি আছে। যোৱা বছৰৰ ৩, ৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত প্ৰথম বিনিয়োগ সন্মিলনৰ সফল আয়োজনে দেশ আৰু বিশ্বক এই বাৰ্তা দিছে যে এইখন পৰিৱৰ্তিত অসম, যি ভাৰতৰ এটা চুক মাত্ৰ নহয় বৰঞ্চ ভাৰত আৰু ASEAN দেশসমূহৰ সম্বন্ধৰ কেন্দ্ৰ। আমি ব্যৱসায় আৰু বাণিজ্যৰ জৰিয়তে আমাৰ অৰ্থ ব্যৱস্থাক শক্তিশালী কৰি দক্ষিণ-পূব এছিয়াৰ প্ৰৱেশদ্বাৰ হিচাপে আমাৰ পৰিচয় দাঙি ধৰিব লাগিব। মোৰ চৰকাৰে অসামৰিক বিমান সেৱা মন্ত্ৰালয়ৰ লগত মিলি তেওঁলোকৰ সহযোগত UDAN (International) ৰ আৰম্ভণি কৰিছে। ইয়াৰ জৰিয়তে গুৱাহাটীৰ পৰা দক্ষিণ-পূব এছিয়াৰ দেশবোৰৰ ৰাজধানীৰ লগত বিমান সংযোগ গঢ়ি উঠিব। এই ক্ষেত্ৰত গুৱাহাটীৰ পৰা ঢাকা আৰু বেংককলৈ এই সেৱা শীঘ্ৰেই আৰম্ভ হ'ব। গুৱাহাটী বিমানবন্দৰত নতুন টাৰ্মিনেল আৰম্ভ কৰা হৈছে আৰু ইয়াৰ নিৰ্মাণ কাৰ্য অহা দুই বছৰত সম্পূৰ্ণ হৈ উঠিব। ৰূপসীতো নতুন টাৰ্মিনেলৰ কাম আৰম্ভ হৈছে। অচিৰেই যোৰহাট আৰু শিলচৰতো নতুন টাৰ্মিনেল নিৰ্মাণ কৰা হ'ব আৰু ডিব্ৰুগড় বিমান বন্দৰো সম্প্ৰসাৰণ কৰা হ'ব। গুৱাহাটী বিমান বন্দৰৰ পৰা ডুবাই আৰু হংকঙলৈ ফল-মূল আৰু শাক-পাচলিৰ ৰপ্তানি আৰম্ভ কৰা হৈছে। ফলস্বৰূপে আমাৰ এখন ডাঙৰ বজাৰ গঢ়ি উঠিছে আৰু ইয়াৰ লাভ আমাৰ কৃষকসকলে পাব।

জলপথসমূহে আমাৰ অৰ্থনৈতিক প্ৰগতিক আৰু অধিক গতি প্ৰদান কৰিব পাৰে। ব্ৰহ্মপুত্ৰ আৰু বৰাক কেৱল নদীয়েই নহয়, আমাৰ জীৱনৰেখা, যিয়ে আমাৰ সংস্কৃতিক মহীয়ান কৰি সমৃদ্ধ কৰিছে আৰু আমাৰ অৰ্থব্যৱস্থাক

প্ৰাণৱন্ত কৰিছে। এই নদীৰ দুয়োপাৰে বাস কৰা লোকসকলৰ জীৱন বৈচিত্ৰ্যময় সৌন্দৰ্য্যৰে সমৃদ্ধ। সেইবাবে আমি এই দুয়োখন নদীৰ সম্ভাৱনীয়তাৰ বিভিন্ন দিশসমূহ উদ্ভাসিত কৰিবলৈ আৰু নিজৰ কৃতজ্ঞতা ব্যক্ত কৰিবলৈ নমামী ব্ৰহ্মপুত্ৰ আৰু নমামী বৰাকৰ আয়োজন কৰিছিলো। বাংলাদেশৰ লগত হোৱা চুক্তিৰ ভিত্তিত শীঘ্ৰেই চিটাগাং বন্দৰক আমি ব্যৱসায়ৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰিম। ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতাত আমাৰ জলপথৰ সামগ্ৰিক বিকাশ সাধন কৰি অনাগত বৰ্ষত এই বৃহৎ পৰিৱৰ্তনৰ লাভালাভৰ বাবে নিজকে প্ৰস্তুত কৰি আছো।

মোৰ চৰকাৰে ৰাজ্যত বিনিয়োগৰ পথ সুগম কৰা, নতুন উদ্যোগ গঢ়ি তোলা আৰু নিয়োগৰ সম্ভাৱনা বৃদ্ধিৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টি কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। 'ইজ অব্ ডুইং বিজনেছ'ত অসম ক্ষিপ্ৰ গতিৰে আগুৱাই যোৱা ৰাজ্যসমূহৰ ভিতৰত অৰ্ন্তভুক্ত হৈছে। উদ্যোগ স্থাপনৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হৈছে আৰু ইয়াৰ বাবে আৱশ্যকীয় নীতি প্ৰস্তুত কৰা হৈছে। এই উদ্যোগসমূহত সংস্থাপন পাবলৈ প্ৰয়োজনীয় দক্ষতা বিকাশ কৰি আমাৰ যুৱক-যুৱতীসকলক যোগ্য কৰাৰ ক্ষেত্ৰতো গুৰুত্ব প্ৰদান কৰিছে। অসম দক্ষতা বিকাশ অভিযানৰ জৰিয়তে এই বৰ্ষত প্ৰায় এক লাখ যুৱক-যুৱতীক দক্ষ কৰি তোলাৰ বাবে প্ৰশিক্ষণ দিয়া হৈছে। তদুপৰি দীনদয়াল গ্ৰামীণ কৌশল যোজনাৰ অধীনত গ্ৰাম্যাঞ্চলত ৩৩,২২৯ গৰাকী যুৱক-যুৱতীক দক্ষতা বিকাশৰ প্ৰশিক্ষণ দিয়া হৈছে।

দক্ষতা বিকাশৰ জৰিয়তে যুৱক-যুৱতীসকলক উদ্যমী কৰি তোলাৰ বাবে চৰকাৰে আৱশ্যকীয় সকলো সহায়-সহযোগিতা আগবঢ়াইছে। এই ক্ষেত্ৰত Swami Vivekananda Assam Youth Empowerment (SVAYEM) আঁচনি এক লাখ যুৱক-যুৱতীক উদ্যমী কৰি তোলাৰ ক্ষেত্ৰত সহায়ক হ'ব। মহিলাসকলৰ

বাবে 'কনকলতা মহিলা সৱলীকৰণ যোজনা'ৰ অধীনত ১.১৩ লাখ আত্ম-সহায়ক গোটক আৰ্থিক সাহায্য প্ৰদান কৰি মহিলাসকলক স্বাৱলম্বী কৰি তোলাৰ কাম চলি আছে। লগতে যিসকল যুৱক-যুৱতীয়ে অস্ত্ৰ এৰি মূলসুঁতিলৈ ঘূৰি আহিছে তেওঁলোকক 'স্বাৱলম্বন যোজনা'ৰ জৰিয়তে সাহায্য প্ৰদান কৰা হৈছে।

মোৰ চৰকাৰে স্বাস্থ্যসেৱাৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ 'আয়ুষ্মান যোজনা' স্বাস্থ্য সেৱা খণ্ডত এক যুগান্তকাৰী পদক্ষেপ। এই যোজনা সফলভাৱে ৰূপায়ণ কৰাৰ উপৰিও ৰাজ্য চৰকাৰে 'অটল অমৃত অভিযান'ৰ জৰিয়তে সাধাৰণ জনতালৈ সহায় আগবঢ়াইছে। আমি জানো যে প্ৰতিবছৰে বেমাৰ-আজাৰত বহু পৰিয়ালে দৰিদ্ৰতাক আঁকোৱালি ল'ব লগা হয়। সেইকাৰণে ইয়াৰ দ্বাৰা জনসাধাৰণক সুৰক্ষা কৱচ প্ৰদানৰ আৱশ্যকতা আছে। আয়ুষ্মান ভাৰত আৰু অটল অমৃত অভিযানৰ জৰিয়তে আমি অসমৰ ৯২% জনতাক স্বাস্থ্য সুৰক্ষা প্ৰদান কৰিবলৈ সক্ষম হৈছো। এই আঁচনিৰ দ্বাৰা কেন্সাৰ ৰোগ নিৰাময়ৰ পথ আৰু অধিক সহজলভ্য আৰু ব্যয়সাধ্য কৰিবলৈ ভাৰত চৰকাৰে টাটা ট্ৰাষ্টৰ লগত এক বিশেষ আঁচনি আৰম্ভ কৰিছে। এই যোজনাৰ কাৰণে আমাৰ চৰকাৰে অহা দুই বছৰৰ ভিতৰত ১০৮০ কোটি টকা খৰছ কৰিব। ইয়াৰ লগতে এই ক্ষেত্ৰত ৰাজ্যখনত টাটা ট্ৰাষ্টে ৮৩০ কোটি টকা বিনিয়োগ কৰিব। এই বৰ্ষত আমি তিনিখন মেডিকেল কলেজৰ কাম নলবাৰী, কোকৰাঝাৰ আৰু তিনিচুকীয়াত আৰম্ভ কৰিছো।

শিক্ষা হ'ল সমাজৰ প্ৰগতিৰ আধাৰ। শিক্ষাৰ প্ৰসাৰ আজি গাঁৱে-ভূঞে হৈছে যদিও শিক্ষাৰ গুণগত মান বঢ়োৱাৰ আৱশ্যকতা আছে। এই বিষয়টোৰ ওপৰত গুৰুত্ব দি আমাৰ চৰকাৰে গুণোৎসৱ সফলভাৱে অনুষ্ঠিত কৰিছে। সামাজিক জীৱনৰ লগত জড়িত লোকসকল, মন্ত্ৰী, বিধায়ক, বিষয়া আদি ব্যক্তিসকল সকলো বিদ্যালয়লৈ গৈ শিক্ষাৰ গুণগত মান নিৰ্ণয় কৰিবলৈ আৰু বুজিবলৈ প্ৰয়াস কৰিছে

আৰু নিজৰ উপস্থিতিৰে বিদ্যাৰ্থীসকলক প্ৰেৰণাও যোগাইছে। এই আঁচনিৰ ইতিবাচক প্ৰভাৱ দেখিবলৈ পোৱা গৈছে আৰু শিক্ষানুষ্ঠানসমূহত ইয়াৰ যোগাত্মক ফলাফল আমি আহিবলগীয়া দিনবোৰত দেখিবলৈ পাম। বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ কাৰণে ২০১৮-১৯ ৰ বাজেটত ৯৮০ কোটি টকা ধাৰ্য্য কৰা হৈছে। উচ্চ শিক্ষাৰ ক্ষেত্ৰতো বৃত্তিমূলক শিক্ষানুষ্ঠান আৰু বিশ্ববিদ্যালয়সমূহৰ বিকাশৰ কাৰণে আমি এই বৰ্ষত ৬৬৭ কোটি টকা আৱন্টন কৰিছো। ইয়ে আমাৰ চৰকাৰৰ দায়বদ্ধতাক সূচাইছে। মোৰ চৰকাৰে প্ৰগতিৰ এক নতুন দিশ সূচনা কৰিব বিচাৰিছে। আমি আমাৰ প্ৰতিটো নীতি, প্ৰত্যেক যোজনা, প্ৰত্যেক প্ৰকল্পৰ দ্বাৰা জনসাধাৰণৰ জীৱনক আৰু অধিক উন্নত কৰিব বিচাৰো। বিশ্বই যি মহান আদৰ্শৰ বাবে সকলোকে একগোট হৈ আগবাঢ়ি আহিবলৈ আহ্বান কৰিছে, আমি এই লক্ষ্যত উপনীত হ'বলৈ নিষ্ঠা সহকাৰে নিয়োজিত হৈ আছো। সমাজৰ এই আদৰ্শসমূহ প্ৰকৃতাৰ্থত বাস্তৱায়িত কৰাটোৱে আমাৰ লক্ষ্য। এই চৰকাৰ প্ৰতিজন নাগৰিকৰ নিজৰ চৰকাৰ। এই কাৰণে চৰকাৰৰ সকলো সিদ্ধান্ত আৰু আঁচনিত আপোনালোকৰ অংশীদাৰিত্ব আছে। My Govৰ জৰিয়তে আপোনাৰ ইতিবাচক সহযোগিতাই আমাক আৰু অধিক শক্তিশালী কৰিছে।

"চিৰ্ফ হংগামা খড়া কৰনা মেৰা মকচদ নেহী
চাৰী কোচিছ হে কি য়ে ছুৰত বদলনী চাহিয়ে"

সমাজত যিসকল লোকক অধিক সুৰক্ষাৰ প্ৰয়োজন তেওঁলোকৰ বাবে মোৰ চৰকাৰখন উৎসৰ্গিত। চৰকাৰে 'প্ৰণাম' আঁচনিখনৰ যোগেদি সকলো চৰকাৰী কৰ্মচাৰীক নিজৰ জ্যেষ্ঠসকলক ভৰণ-পোষণ দিয়াটো আইনীভাৱে বাধ্যতামূলক কৰিছে। আমি আমাৰ জ্যেষ্ঠসকলক আৰু শিশুসকলৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি তেওঁলোকক মৰম-স্নেহ আৰু সন্মান দিব পাৰিলেহে আমাৰ সমাজখন সুস্থ আৰু

উন্নয়নমুখী হ'ব পাৰিব। ইয়াৰ লগতে দিব্যাংগসকলৰ সন্মান আৰু কল্যাণৰ প্ৰতি আমি দায়বদ্ধ। দীনদয়াল দিব্যাংগ সাহায্য আঁচনিৰ অধীনত দিব্যাংগসকলক চিকিৎসাৰ বাবে প্ৰতি বছৰে ১২,০০০ টকাকৈ আৰ্থিক সাহায্য দি থকা হৈছে।

দ্ৰুত গতিত বিকাশ হ'বলৈ হ'লে পৰ্যাপ্ত পুঁজিৰ প্ৰয়োজন। ৰাজ্য চৰকাৰে ৰাজহ বৃদ্ধিৰ বাবে যথাসম্ভৱ প্ৰচেষ্টা অব্যাহত ৰাখিছে। সততাৰে শাসন কৰিলে উন্নয়ন ভালদৰে হ'ব- এয়া আমাৰ দৃঢ় বিশ্বাস। ৰাজ্যখনত হোৱা প্ৰশাসনিক পাৰদৰ্শিতাৰ ফলস্বৰূপে যোৱা বছৰ আমি ৰাজ্যৰ বিত্তীয় সম্পদৰ পৰিমাণ বৃদ্ধি কৰিবলৈ সক্ষম হৈছো। আবকাৰী, পৰিবহন আৰু জি.এছ.টি (GST) তথা অন্যান্য ক্ষেত্ৰত অভিলেখ পৰিমাণৰ ৰাজহ আহৰণ কৰা হৈছে। ইয়াৰ লগতে আমি বুনিয়াদী আৰু সামাজিক বিকাশৰ কাৰণে বিশ্ব বেংক, ADB, AIB আৰু NDBৰ দৰে বিত্তীয় সংস্থাৰ পৰা সহায় ল'বৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছো। ইয়াৰ দ্বাৰা আমি বিকাশৰ গতি অধিক ত্বৰান্বিত কৰিব পাৰিম।

আমি ঔদ্যোগিক বিকাশ বিচাৰো কাৰণ উদ্যোগ আৰু বিনিয়োগ অবিহনে নিয়োগ সৃষ্টি আৰু সামাজিক বিকাশ সম্ভৱ নহয়। কিন্তু আমি পৰিৱেশৰ প্ৰতিও সম্পূৰ্ণৰূপে সচেতন। নতুন অসম প্ৰদূষণমুক্তও হ'ব। এই কাৰণে আমি অসমক আৰু অধিক সেউজ আৰু পৰিষ্কাৰ কৰিবলৈ প্ৰয়াস কৰি আছো। যিসময়ত যিকোনো চহৰ, বিশেষকৈ আমাৰ ডাঙৰ-ডাঙৰ চহৰসমূহত বায়ু প্ৰদূষণ এটা চিন্তাৰ কাৰক হৈ পৰিছে, তেনে সময়ত অসমৰ নিৰ্মল বায়ু আৰু পৰিষ্কাৰ পৰিৱেশে জনসাধাৰণক আকৃষ্ট কৰিবলৈ সক্ষম হৈছে। আধুনিক জীৱন শৈলীৰ কু-প্ৰভাৱৰ পৰা মুক্তি পাবলৈ, মুক্ত বায়ু সেৱন কৰিবলৈ, প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰিবলৈ, জীৱন আৰু সংস্কৃতিৰ লগত মিলিবলৈ, মানুহ অসমলৈ আহিবলৈ আগ্ৰহী হ'বই। এইবাবে আমি ৰাজ্যখনৰ পৰ্যটনৰ ক্ষেত্ৰত থকা প্ৰচুৰ সম্ভাৱনীয়তা সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিবলৈ পূৰ্ণ প্ৰচেষ্টা অব্যাহত ৰাখিছো। প্ৰচাৰ

তথা প্ৰসাৰৰ বিভিন্ন মাধ্যমৰ জৰিয়তে আমি আমাৰ পৰ্যটন ক্ষেত্ৰৰ সম্ভাৱনীয়তাসমূহৰ বিষয়ে পৰ্যটকক অৱগত কৰি আছো আৰু তেওঁলোকক ইয়ালৈ আহিবলৈ আমন্ত্ৰণো জনাইছো। প্ৰচাৰ আৰু প্ৰসাৰৰ উপৰিও আমি পৰ্যটকসকলক আৰু অধিক সুবিধা প্ৰদান কৰিবৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছো।

প্ৰধানমন্ত্ৰীয়ে সদায় কয়, "খেলোগে তো খিলোগে।" ভূপেনদাইয়ো সঁচাই কৈছিল যে, 'এই পৃথিৱী এখন ক্ৰীড়াঙ্গন'। মুখ্যমন্ত্ৰীয়ে গুৱাহাটীক দেশৰ ক্ৰীড়াৰ ৰাজধানী হিচাপে গঢ়ি তুলিবলৈ সংকল্প লৈছে। মোৰ চৰকাৰে এই দিশত দ্ৰুত গতিৰে কাম কৰি আছে। ক্ৰীড়াই আমাৰ জীৱন শৈলীত ইতিবাচক প্ৰভাৱ পেলায়। শাৰীৰিক শক্তি, মনৰ উৎসাহ আৰু খেলুৱৈসুলভ মনোবৃত্তিৰ বিকাশৰ জৰিয়তে আমি নীতি-নিয়ম পালনৰ মাজেৰে সমাজত এক ডাঙৰ লক্ষ্যত উপনীত হ'বলৈ অগ্ৰসৰ হ'ব পাৰো। এনে পৰিৱেশ খেলৰ মাধ্যমেৰে গঢ়ি তুলিব পৰা যায়। ৰাজ্যখনত প্ৰথম পৰ্যায়ত পাঁচশখন খেল পথাৰ প্ৰস্তুত কৰাৰ পৰিকল্পনা আমি হাতত লৈছো। গাওঁ পঞ্চায়ত পৰ্যায়ত খেলৰ সুবিধাসমূহ উপলব্ধ কৰিবলৈ চেষ্টা কৰি আছো। আমি এনে এক পৰিৱেশ সৃষ্টি কৰিবলৈ বিচাৰিছো য'ত প্ৰতিগৰাকী শিশুৰ মাজত খেলুৱৈসুলভ মনোভাৱ জাগৃত হয় আৰু ৰাজ্যখনৰ উন্নয়নত পূৰ্ণ দক্ষতাৰে অৰিহণা আগবঢ়াব পাৰে। এই উদ্দেশ্যেৰে আমি এক নতুন ক্ৰীড়া নীতি গ্ৰহণ কৰিছো, যাৰ জৰিয়তে খেল সম্বন্ধীয় সুবিধাসমূহ প্ৰদান কৰাত সহজ হ'ব। তদুপৰি, এই নীতিৰ সহায়ত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ক্ৰীড়া প্ৰতিযোগিতাসমূহ আয়োজন কৰিবলৈ আৰ্থিকভাৱে সহযোগ কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হোৱা খেলুৱৈসকলকো পুৰস্কাৰ দিয়া হ'ব। আমাৰ কাৰণে এইটো গৌৰৱৰ কথা যে আমি স্বৰ্ণ কন্যা হিমা দাসক ট্ৰেকত দৌৰা দেখিছো, তেওঁৰ উদ্যম আৰু সাহস দেখিছো। হিমা দাস, হৃদয় হাজৰিকা, লাভলীনা বৰগোঁহাই আৰু সেইসকল

খেলুৱৈলৈ বহুত শুভকামনা যাঁচিছো, যিসকলে নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শনেৰে আমাক ৰোমাঞ্চিত কৰিছে আৰু লগতে গৌৰৱান্বিতও কৰিছে। ৰাজ্যখনত প্ৰতিভাৰ অভাৱ নাই আৰু এতিয়া তেওঁলোকে আৰ্থিক অনাটনৰ লগত যুঁজিব নালাগে। ৰাজ্য চৰকাৰে নিজৰ প্ৰতি টুকুৰা হীৰাক উজলাবলৈ যথাসম্ভৱ কাম কৰিব। এই ক্ষেত্ৰত গুৱাহাটীৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া বিদ্যালয় আৰু চাবুৱাৰ অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ দৰে সুন্দৰ পদক্ষেপে অনাগত দিনত ক্ৰীড়াৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

মোৰ চৰকাৰে চহৰসমূহক নতুন ৰূপত বৈজ্ঞানিক পদ্ধতিৰে বিকাশ কৰাৰ ক্ষেত্ৰত গুৰুত্ব দি আহিছে। আমাৰ চহৰসমূহৰ নিৰ্মাণ আঁচনি আগতে সঠিক ৰূপত প্ৰস্তুত হোৱা নাছিল, যাৰ ফলত চহৰৰ বিকাশ আশানুৰূপ হোৱা নাই। ষ্টেট কেপিটেল ৰিজন আঁচনি সঠিক দিশত আগুৱাই গৈ আছে। এনেধৰণৰ আঁচনিসমূহ অসমৰ অন্য গুৰুত্বপূৰ্ণ চহৰৰ কাৰণেও লোৱা হ'ব। আমাৰ চহৰসমূহে আমাৰ অৰ্থ ব্যৱস্থাক আৰু অধিক শক্তিশালী কৰিব পাৰে। চহৰসমূহৰ সঠিক বিকাশ হ'লেহে ই সম্ভৱ হ'ব। গ্ৰামীণ বিকাশৰ ক্ষেত্ৰতো সম পৰিমাণে গুৰুত্ব প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ জৰিয়তে আমি গ্ৰাম্য ক্ষেত্ৰক বিকাশৰ আধাৰ হিচাপে লৈ আমাৰ কৃষকৰ আয় দুগুণ কৰিবলৈ সক্ষম হৈছো। এই উদ্দেশ্যে আমি আমাৰ কৃষকসকলক ট্ৰেক্টৰ প্ৰদান কৰিছো আৰু আহিবলগীয়া সময়ত কৃষিৰ বিকাশ, জলসিঞ্চন, কৃষি উৎপাদনৰ সংৰক্ষণ আৰু ইয়াৰ সঠিক বিপণনৰ বাবে আমি আৰু মহত্বপূৰ্ণ পদক্ষেপ ল'বলৈ অগ্ৰসৰ হৈছো। প্ৰত্যেক গাঁও সমৃদ্ধিশালী হওঁক, সুখেৰে ভৰি পৰক এইটোৱেই আমাৰ সপোন, এয়াই আমাৰ সংকল্প। এই উদ্দেশ্যে চহৰত উপলব্ধ সকলো সুবিধা গাঁও স্তৰত উপলব্ধ কৰাবলৈ প্ৰয়াস কৰি থকা হৈছে। গ্ৰাম্য অঞ্চলত ১,১৬,০৯১ টা গৃহ নিৰ্মাণ কৰা হৈছে। মোৰ দৃঢ় বিশ্বাস যে, এই প্ৰয়াসৰ ফলত গাঁৱৰ জীৱন ধাৰণৰ মান অধিক উন্নত হ'ব।

কেন্দ্ৰীয় চৰকাৰৰ এই সকলোবোৰ অভিলাষী আঁচনি মোৰ চৰকাৰে সম্পূৰ্ণ নিষ্ঠা আৰু সততাৰে ফলপ্ৰসূ কৰিবলৈ প্ৰয়াস অব্যাহত ৰাখিছে যাৰ ফলত জনসাধাৰণৰ জীৱন ধাৰণত পৰিৱৰ্তন আহিব, তেওঁলোকৰ জীৱন সহজ-সৰল আৰু সুখকৰ হ'ব। দেশৰ চুকে-কোণে বিজুলী যোগান ধৰা হৈছে। অসমৰ প্ৰত্যেকখন গাঁও পোহৰেৰে উজলি উঠিছে। আন্ধাৰ আঁতৰি গৈছে। একেদৰে উজ্জ্বলা আঁচনিৰ অধীনত ৰন্ধন গেছৰ সংযোগ দিয়া হৈছে, যাৰ ফলত আমাৰ মাতৃ আৰু ভগ্নীসকল ধোঁৱাৰ প্ৰকোপৰ পৰা মুক্ত হৈছে। জন ধন আঁচনিৰ অধীনত সকলোৰে বেংক একাউণ্ট খোলা হৈছে। চাহ বাগানত থকা আমাৰ চাহ মজদুৰ ভাই-ভনীসকলৰো বেংক একাউণ্ট খোলা হৈছে। এনেধৰণৰ ৭,২১,৫৮৫টা একাউণ্টৰ প্ৰতিটোতে ২,৫০০ টকাকৈ ৰাজ্য চৰকাৰে আমাৰ চাহ শ্ৰমিকক প্ৰদান কৰিছে। তেওঁলোকৰ একাউণ্টত আৰু এই পৰিমাণৰ ধন অতি শীঘ্ৰে দিয়া হ'ব। ইয়াৰ লগতে প্ৰধানমন্ত্ৰী জীৱন জ্যোতি আৰু প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাৰ যোগেদি বীমা সুৰক্ষাৰ সুবিধা প্ৰদান কৰা হ'ব।

এই বৰ্ষত আমি জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫০ তম জন্ম জয়ন্তী পালন কৰি আছো। এই উদ্দেশ্যে স্বচ্ছ ভাৰত অভিযানৰ ওপৰত বিশেষ জোৰ দিয়া হৈছে। ২৮ খন জিলা, ২০৪ টা ব্লক, ২,৪১১ খন গাঁও পঞ্চায়ত, ২২,৪১৮ খন গাঁও মুকলি স্থানত মলত্যাগ মুক্ত ঘোষিত কৰা হৈছে আৰু এই বৰ্ষৰ ২ অক্টোবৰ, ২০১৯ৰ আগত সম্পূৰ্ণ ৰাজ্য 'মুকলি স্থানত মলত্যাগ মুক্ত' হৈ যাব।

আমি এক নতুন যুগৰ দুৱাৰ মুখত উপস্থিত হৈছো। মুক্ত আকাশে আমাক প্ৰত্যাহ্বান জনাই আছে। প্ৰত্যাহ্বান আছে - থাকিবও লাগে। সংগ্ৰাম আছে - থকাও

প্ৰয়োজন। কিন্তু আত্মবিশ্বাসে আমাক অনুপ্ৰেৰণা যোগাই আছে, নতুন সপোনে আশাৰ সঞ্চাৰ কৰিছে। কিছু দূৰৈত ন-প্ৰভাতে আমাৰ বাবে অপেক্ষা কৰি আছে। এনে সময়ত আমি আমাৰ পূৰ্বপুৰুষসকলৰ সেই আহ্বানক স্মৰণ কৰিব লাগে, যাতে দেশৰ প্ৰতিজন নাগৰিকে পুৰোহিতৰ দৰে ৰাষ্ট্ৰক পূজা কৰি সমগ্ৰ ৰাষ্ট্ৰকে জাগৃত কৰি ৰাখে। আমি ৰাষ্ট্ৰৰ অতন্দ্ৰ প্ৰহৰী হৈ দেশৰ বিকাশৰ বাবে সম্পূৰ্ণ আত্মনিয়োগ কৰিব লাগে।

"বয়ম্ ৰাষ্ট্ৰে জাগৃয়াম্ পুৰোহিত ঃ"

আমি আমাৰ সুন্দৰ ভৱিষ্যতৰ আশাৰে আৰু কঠোৰ পৰিশ্ৰম কৰিব লাগিব। আমি সকলোৱে ঐক্যবদ্ধভাৱে যিকোনো লক্ষ্যতে উপনীত হ'ব পাৰিম। এই মুহূৰ্তত অটলজীৰ এই শাৰীকেইটাই আমাক ন-প্ৰেৰণা যোগাব—

"আদমী কো চাহিয়ে কি ৱহ যুঝে,
পৰিস্থিতিয়ো ছে লড়ে,
এক স্বপ্ন টুটে তো দুচৰা গঢ়ে।"

আহক, আমি পুনৰ এবাৰ নিজৰ সমস্ত শক্তিৰে ৰাজ্যখনৰ উন্নয়নৰ বাবে নিজকে সমৰ্পিত কৰিবলৈ সংকল্প গ্ৰহণ কৰোঁ। আমি সকলোৱে মিলি-জুলি অসমক আগুৱাই লৈ যাব লাগিব। মোৰ দৃঢ় বিশ্বাস যে অসমৰ ভৱিষ্যত সুউজ্জ্বল। সকলো ধৰণৰ বাধা অতিক্ৰম কৰি নিজৰ লক্ষ্যৰ প্ৰতি দৃষ্টি ৰাখি আমি পূৰ্ণ আত্মবিশ্বাসেৰে আগবাঢ়ি যাম। এতিয়া আমি থমকি নৰওঁ। নিজৰ লক্ষ্যৰ পৰা বিচলিত নহওঁ। আমাৰ লক্ষ্য হৈছে অসমৰ বিকাশ, দ্ৰুত বিকাশ, স্থায়ী বিকাশ।

এই মুহূৰ্তত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ এই পংক্তিয়ে আমাক আৰু অধিক উৎসাহিত কৰিব—

" ময়ে ভাৰতৰ নবীন সূৰ্য্য
পূৰ্ব্বাচলত বজাওঁ তূৰ্য্য
মোৰ পোহৰৰ গানে
আকাশে আকাশে, দেশে মহাদেশে
মুগ্ধ কৰিব আলোকযাত্ৰী
শেষ হ'ব শেষ নোহোৱা ৰাত্ৰি
কৰিম জগত জয়
নবীন সূৰ্য্য মই।

জয় হিন্দ।।